# ECHO OF HIS CALL

# আহ্বানৰ প্ৰতিধ্বনি

ASSAMESE

India's National Spiritual Newspaper

₹ 10/-

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAANS

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. Bornali Thapa Raj

VOL.XXI | YEAR OF OUR LORD JESUS CHRIST, 2021 JANUARY | No: 8


## পবিত্ৰ বাইবেল

**এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক**

**প্ৰভূৰ প্ৰশংসা হওঁক !**

**যিচয়া ৯ ঃ ১-৭**

১। কিন্তু যি দেশ দুখত আছিল, তাত আন্ধাৰ নাথাকিব। তেওঁ আগৰ কালত জবুলুন আৰু নপ্তালী দেশক নীহ অৱস্থালৈ আনিছিল, কিন্তু অন্তিম কালত সমুদ্ৰৰ ওচৰৰ পথ, যৰ্দ্দনৰ পাৰ, জাতিবিলাকৰ গালীল মৰ্য্যদাৱন্ত কৰিলে।

২। যি জাতি আন্ধাৰত ফুৰিছিল, তেওঁবিলাকে মহাজ্যোতি দেখিবলৈ পালে, যিবিলাকে মৃত্যু ছায়াৰ দেশত বাস কৰিছিল, তেওঁবিলাকৰ ওপৰত দীপ্তি প্ৰকাশিত হ'ল।

৩। তুমি সেই জাতিক বৃদ্ধি কৰিলা, তুমি তেওঁবিলাকৰ আনন্দ বঢ়ালা, শস্য দোৱা সময়ত, আনন্দ কৰাৰ আৰু লুটদ্ৰব্য ভাগ বাটি লোৱা সময়ত উল্লাস কৰাৰ দৰে তেওঁ বিলাকে তোমাৰ সাক্ষাতে আনন্দ কৰে।

৪। কিয়নো তুমি মিদিয়নৰ দিনত কৰা নিচিনাকৈ তেওঁবিলাকৰ ভাৰস্বৰূপে যুৱলি, তেওঁবিলাকৰ কান্ধৰ কাণমাৰি আৰু তেওঁবিলাকৰ উপদ্ৰৱকাৰীৰ দণ্ড ভাঙি পেলালা।

৫। কাৰণ ঘোৰ যুদ্ধত সুসজ্জিত থকা সৈন্যৰ সকলো প্ৰকাৰ সাজ আৰু তেজেৰে লেটিপেটি হোৱা পোচাক জুইৰ খৰি কৰি পোৰা যাব।

৬। কিয়নো আমালৈ এটি ল'ৰা জন্মিল, আমাক এটি পুত্ৰ দান কৰা হ'ল আৰু তেওঁৰ কান্ধত শাসনভাৰ অপিৰ্ত হ'ব আৰু তেওঁ আশ্চৰ্য, মন্ত্ৰী, পৰাক্ৰমী ঈশ্বৰ, অনন্তকাল স্থায়ী পিতৃ আৰু শান্তিৰাজ নামেৰে প্ৰখ্যাত হ'ব।

৭। এতিয়াৰ পৰা চিৰকাললৈকে সুবিচাৰ আৰু ধাৰ্মিকতাৰ দ্বাৰাই দায়ুদৰ সিংহাসন আৰু ৰাজ্য সুস্থিৰ আৰু দৃঢ় কৰিবলৈ, সেই সিংহাসনত আৰু ৰাজ্যত তেওঁৰ ৰাজ্যশাসন আৰু শান্তিবৃদ্ধিৰ শেষ নহ'ব। বাহিনীবিলাকৰ যিহোৱাৰ মৰ্যদা ৰখা উৎসাহে ইয়াক সিদ্ধ কৰিব।

# ঈশ্বৰৰ দৰ্শন

# REVELATION OF GOD!

(কেন্দ্ৰ মণ্ডলীৰ পালক এচ, চাম ছেলভা ৰাজে দিয়া বাৰ্তা)

আৰু যিহোৱাই পুনৰ চীলোত দৰ্শন দিলে, কিয়নো যিহোৱাই চীলোত চমুৱেলৰ আগত যিহোৱাই বাক্যৰ দ্বাৰাই নিজকে প্ৰকাশ কৰিছিল।

আৰু গোটেই ইস্ৰায়েলৰ ওচৰলৈ চমুৱেলৰ বাক্য আহিছিল (১ চমুৱেল ৩ঃ২১,৪ঃ১)

এলী পুৰোহিতৰ দিনত ঈশ্বৰৰ বাক্যৰ হ্ৰাস হৈছিল। তেওঁ চীলোত থকা ঈশ্বৰৰ মন্দিৰত পৰিচৰ্য্যা কৰিছিল আৰু ল'ৰা চমুৱেল তেওঁৰ সহকাৰী আছিল। পাছে যিহোৱাই তেওঁক ক'লে, "চমুৱেল! চমুৱেল!" আৰু তৃতীয় বাৰ মাতোতে এলীয়ে কোৱাৰ দৰে চমুৱেল ঈশ্বৰলৈ উত্তৰ দিলে, "কওঁক কিয়নো আপোনাৰ দাসে শুনিছে" (১ চমুৱেল ৩ঃ১০)। তেতিয়া ঈশ্বৰে ক'লে, এতেকে এলীৰ বংশলৈ মই এই শপত খালো যে, এলীৰ বংশৰ যি অপৰাধ তাক বলিদান কি নৈবদ্যৰ দ্বাৰাই কেতিয়াও মোচন কৰা নহ'ব। চমুৱেলে সেই সকলোকে এলীৰ আগত ক'লে। তেতিয়া এলীয়ে ক'লে, "তেওঁ যিহোৱা, তেওঁৰ দৃষ্টিত যি ভাল, তাকেই কৰক" (১ চমুৱেল ৩ঃ১৮)

আমাৰ আচৰিত ঈশ্বৰে জোপাৰ মাজৰ পৰা অগ্নি শিখাত মোচিক দৰ্শন দিলে (যাত্ৰা পুস্তক ৩ঃ১,২) পুনৰুত্থিত খ্ৰীষ্টই মগ্‌দলীনী মৰিয়মক দৰ্শন দি সুধিলে, "হে নাৰী কিয় কান্দিছা"? তেওঁ ক'লে, "কোনোবাই মোৰ

*৩ পৃষ্ঠাত চাওঁক*

## A Loving Request

As you all know we are hard-pressed to meet several needs like the salary of the staff, expenses on the purchase of paper and also the travel expenses. Generally we never ask others to meet our financial needs. But we request those who truly love this ministry to send your offerings through Money Orders, Cheque or Demand Draft, Phone Pay, NEFT or through any other methods and support us in this Ministry. The Lord will surely bless you. For details call: +91 98412 71858

**- Editor, Echo of His Call**

# শিক্ষাৰ দ্বাৰা জীৱনবিলাকৰ স্পৰ্শ...১৯৬৯ ৰ পৰা

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

(ইংৰাজী, তামিল, মালায়ালাম, তেলুগু, হিন্দী, মাৰাঠী, কানাড়, বেংগলী, গুজৰাট, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাৰী, উৰ্দ্দু, সিংহলী আৰু আফ্রিকানৰ মাহেকীয়া আলোচনী)

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE



**"...কিয়নো মই তেওঁবিলাকৰ বিলাপ হষলৈ পৰিৱৰ্তন কৰিম, তেওঁবিলাকক সান্ত্বনা দিম আৰু তেওঁবিলাকক আনন্দিত কৰি তেওঁবিলাকৰ শোক গুচাম" (যিৰিমিয়া ৩১ঃ১৩)**




CHIEF EDITORS
Pastor S. Sam Selva Raj
Angeline Selvakumari Henry, M.A., M.Ed.
MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
ADMINISTRATION
Bro. N. Prakasam, M.A., General Manager
EDITORIAL BOARD
Sis. Jesy Veena Sam
Bro. M. Paulraj, M.A., B.Ed.
Sis. Serena Bevin, M.A., M. Phil., B.Ed.
Head Qrs. CO-ORDINATORS
Bro. John Rodrigues
Sis. E. Daisy Rani
ADVISORY BOARD
Adv. Jose Abraham
Adv. N. Balaji, B.Com., B.L.
Dr. S. Rabinder Boaz, M.S.
Er. C.G.S. Baburao, B.Tech., M.Tech. (DM)
Aud. K. Puratchivendan, M.Com., B.L.
Bro. Rajeswaran Samuel, B.Com.
PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+91-44) 2852 8282
2852 9293, 2854 7766
Email : sam@echoofhiscall.org
biblecor@yahoo.co.in
Websites :
www.echoofhiscall.org
www.echoofhiscall.com

প্ৰভূত মোৰ প্ৰিয় ভাই আৰু ভনীসকল,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ গৌৰৱান্বিত নামত শুভেচ্ছা জনালো। সকলো নামৰ ওপৰত যীচু খ্ৰীষ্টৰ নাম আছে। আমি কেৱল মাত্ৰ তেওঁৰ নামতেই সকলো গৌৰৱ আৰু সমাদৰ আগবঢ়াইছো।

হয়, এইটো এটা মহান বিষয় যে প্ৰভু যীচু খ্ৰীষ্টই ২০২০ বৰ্ষৰ শেষলৈকে আমাৰ সকলোকে তেওঁৰ অনুগ্ৰহেৰে চলাই আনিলো। এই বছৰৰ আৰম্ভণিতে আমি সকলোৱে ভাৱিছিলো যে আমাৰ পৃথিৱীৰ সকলো মানুহৰ জীৱনলৈ ডাঙৰ আশীৰ্বাদ আহিব। কিন্তু আজি এই পৃথিৱীত বহু ঋণাত্মক বস্তু বোৰ ঘটি আছে।

কিন্তু ইয়াৰ পাছত এটা কাৰণ আছে। কথাটো হ'ল আজি যিবোৰ ঘটি আছে সেইবোৰ ঈশ্বৰৰ অজ্ঞাতে হোৱা নাই। সমস্ত পৃথিৱীত মানুহৰ জীৱনত ক'ভিড-১৯ য়ে সৰ্বনাশ আনিছে। আমি আমাৰ ভালে সংখ্যক বন্ধুক হেৰুৱাইছো। আমি ইয়াৰ বাবে দুখত আছো।

"যিহূদা দেশৰ ৰজা উজ্জিয়া, যোথম, আহজ আৰু হিষ্কিয়াৰ ৰাজত্বৰ কালত আমোচৰ পুত্ৰ যিচয়া যিহূদাই যিৰূচালেমৰ বিষয়ে পোৱা দৰ্শন, "হে আকাশ মণ্ডল, শুনা, হে পৃথিৱী কাণ দিয়া, কিয়নো যিহোৱাই কৈছে, মই সন্তানবিলাকক প্ৰতিপালন কৰি ডাঙৰ দীঘল কৰিলো, কিন্তু তেওঁবিলাকে হ'লে মোৰ বিৰুদ্ধে বিদ্ৰোহ আচৰণ কৰিলে, গৰুৱে নিজ গৰাকীক আৰু গাধই নিজ গিৰীহঁতৰ দানাপাত্ৰ জানে, কিন্তু ইস্ৰায়েলে নাজানে, মোৰ প্ৰজাবিলাকে বিবেচনা নকৰে। হায় হায়, পাপিষ্ঠ জাতি, অপৰাধত ভাৰগ্ৰস্ত লোক, কুকৰ্মীহঁতৰ বংশ, নিজকে ভ্ৰষ্ট কৰোতা সন্তানবিলাক। তেওঁবিলাকে যিহোৱাক ত্যাগ কৰিলে, ইস্ৰায়েলৰ পবিত্ৰজনাক হেয় জ্ঞান কৰিলে, তেওঁবিলাক সুপথৰ পৰা পাছ হুঁহকি গ'ল।"

"তোমালোকে যে বিদ্ৰোহ আচৰণ কৰি থাকা, তোমালোকে নো আৰু কিয় প্ৰহাৰিত হ'বা? গোটেইটো মূৰ পীড়িত আৰু গোটেই মন দুৰ্বল। ভৰিৰ তলুৱাৰ পৰা মূৰলৈকে গাটোত কোনো সুস্থতা নাই, কেৱল ক্ষত, কোবৰ সাঁচ আৰু পকা ঘা, সেইবোৰ চেপা নাই, বন্ধা নাই, তেলেৰে কোমল কৰাও হোৱা নাই। তোমালোকৰ দেশ উচ্ছন্ন হৈছে, তোমালোকৰ নগৰবোৰ অগ্নিৰে দগ্ধ কৰা হৈছে, বিদেশীলোকে তোমালোকৰ চকুৰ আগতে তোমালোকৰ মাটিৰ শস্য ভোগ কৰিছে আৰু সেয়ে বিদেশীবিলাকৰ দ্বাৰাই বিনষ্ট হোৱাৰ দৰে ধ্বংস হৈছে। দ্ৰাক্ষা-বাৰীৰ পঁজা, তিয়ঁহনিৰ টঙি বা অৱৰোধ কৰা নগৰৰ দৰে চিয়োন-জীয়াৰী পৰিত্যক্তা হৈছে।"

"বাহিনীবিলাকৰ যিহোৱাই আমাৰ নিমিত্তে অলপ অৱশিষ্ট নৰখা হ'লে, আমি চদোমৰ নিচিনা আৰু ঘমোৰাৰ তুল্য হ'লোহেঁতেন। হে চদোমীয়া শাসনকৰ্তাবিলাক, যিহোৱাৰ বাক্য শুনা আৰু হে ঘমোৰীয়া জাতি, আমাৰ ঈশ্বৰ ব্যৱস্থালৈ কাণ দিয়া। যিহোৱাই কৈছে, তোমালোকৰ অনেক বলিদানত মোৰ প্ৰয়োজন কি? মেৰৰ আহুতিৰে আৰু পুষ্ট পশুৰ তেলেৰে মই পৰিপূৰ্ণ আছো, ভতৰা, কি মেৰ, কি ছাগবোৰৰ তেজত মোৰ একো সন্তোষ নাই। তোমালোক যেতিয়া মোৰ আগত উপস্থিত হোৱা তেতিয়া তোমালোকে যে মোৰ চোতাল কেইখন গচকা, ইয়াকে

**Our Ministries:** ECHO OF HIS CALL Monthly Magazines (16 languages) • BIBLECOR - Postal Courses (3 languages) • Theological Correspondence Courses (2 languages) • Church Planting • Nehemiah Bible Colleges • Gospel Printing Press • Great Commission Partners • Village English High School • Crusades • 100 Prayer Warriors • Community Development

তোমালোকক কোনে খুজিছিল? অনৰ্থক নৈবেদ্য আৰু নানিবা, ধূপ দাহ মোলৈ ঘিণলগা, ন-জোন, বিশ্ৰাম-বাৰ আৰু সভাৰ ঘোষণা এইবোৰো মোৰ ঘিণ লগা, অধৰ্মযুক্ত পৰ্বদিন মই সহিব নোৱাৰো। মোৰ প্ৰাণে তোমালোকৰ ন জোন আৰু তোমালোকৰ নিৰূপিত উৎসৱবোৰ ঘিণ কৰে, সেইবোৰ মোলৈ ভাৰস্বৰূপ হ'ল, সেইবোৰ বৈ মই শ্ৰান্ত হ'লো। তোমালোকে হাত মেলিলে, মই তোমালোকৰ পৰা নিজ চকু ঢাকিম, এনে কি, তোমালোকে বিস্তৰ প্ৰাৰ্থনা কৰিলেও মই নুশুনিম, তোমালোকৰ হাত তেজেৰে পুৰ হৈছে। তোমালোকে তোমালোকক ধুই শুচি হোৱা, মোৰ চকুৰ আগৰ পৰা নিজ নিজ কৰ্মৰ দুষ্টতা দূৰ কৰা, কদাচৰণ ত্যাগ কৰা, সদাচৰণ শিক্ষা কৰা।" (যিচয়া ১ঃ১-১৬)

ঈশ্বৰে আমাক যি যি কৈ আছে তাকে পালন কৰাৰ বাহিৰে আমাৰ আন কোনো উপায় নাই।

ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই, আমি তেওঁৰ পৰিচৰ্যাত আগবাঢ়ি আছো। এই মহামাৰীৰ মাজত আমাৰ মণ্ডলীৰ পৰিচৰ্যাৰ বাদে প্ৰায় সকলোবোৰ পৰিচৰ্যা পুনৰ স্বাভাৱিক গতিত চলিছে।



Secretary

আমাৰ মিচন স্কুলৰ চেইণ্ট পৌল'চ মেট্ৰিকুলেশ্বন স্কুলৰ বাবে ঈশ্বৰে আমালৈ এজন উৎসৰ্গিত, মিচন ভিত্তিক আৰু অধ্যক্ষক দিছে। আমি বিশ্বাস কৰো যাতে, ঈশ্বৰে আমাৰ স্কুলখনক সমাজৰ দৰিদ্ৰ সন্তানবিলাক, পৰিচাৰক আৰু পালকসকলৰ প্ৰয়োজন পূৰ্ণৰ বাবে আশীৰ্বাদৰ পৰৱৰ্তী স্তৰলৈ আনিব। নিপীড়িত সন্তানবিলাকক উচ্চ মানদণ্ডৰ শিক্ষা দিয়াৰ দ্বাৰাই ভাল নাগৰিক, পৃথিৱীৰ নেতা, বৈজ্ঞানিক, ঐশ্বৰিক লোক হিচাপে গঢ়ি তোলাটোৰেই আমাৰ লক্ষ্য আৰু ইংৰাজীত অধিক শিক্ষা দিয়া হয়। কৃতকাৰ্যৰ আমাৰ এইপ্ৰচেষ্টাৰ বাবে আপোনালোকৰ প্ৰাৰ্থনা আৰু সহায়ৰ আমাৰ প্ৰয়োজন আছে। আমাৰ স্কুলখনৰ এইবৰ্ষটো হৈছে ২৪ তম বৰ্ষ। আমি জানো যে ঈশ্বৰে এই স্কুলখনক এটা পৰম উদ্দেশ্যৰ সৈতে আমাক দিছে। গতিকে ঈশ্বৰৰ পৰাক্ৰমৰ অধীনত আমি নিজকে নম্ৰ কৰোহক যাতে তেওঁৰ নিৰূপিত সময়ত আমাক উন্নত কৰিব (১ পিতৰ ৫ঃ৬)।



Principal

আজিকালি আমাৰ দায়িত্বৰ অধিক বোজা থকাৰ বাবে চেন্নাইৰ চেপাকৰ অফিচত আমাৰ দৈনিক প্ৰশাসনীয় আৰু উন্নতিৰ আঁচনিবোৰৰ কাম-কাজবোৰ কৰিবৰ বাবে অসমৰ্থ হৈছো। গতিকে আমি তলত উল্লেখ কৰা মিচনৰ বাবে অধিক বোজা থকা সম্পূৰ্ণ সময়ৰ কাৰ্যালয়ৰ কৰ্মীসকলক বিচাৰি আছো ঃ

১। গুৰুত্বপূৰ্ণ ইংৰাজী যোগাযোগ আৰু প্ৰশাসন নিয়ন্ত্ৰণ কৰিব পৰা মুখ্য কাৰ্যবাহী সম্পাদকসকলক প্ৰয়োজন আছে। (শিক্ষাগত অৰ্হতা ঃ স্নাতক হোৱাৰ লগতে ইংৰাজী আৰু আন আন ভাষাত যোগাযোগ লগতে ইংৰাজী আৰু আন আন ভাষাত যোগাযোগ নিয়ন্ত্ৰণ কৰিবলৈ স্বাধীন দক্ষতা থাকিব লাগিব)। কম্পিউটাৰ চলোৱাত ভাল অভিজ্ঞতা থাকিব লাগিব।

২। ইংৰাজী আৰু আন আন ভাষাত কম্পিউটাৰ আৰু ডিটিপি কৰাত দক্ষতা থাকিব লাগিব।

৩। বাদ্য যন্ত্ৰৰ লগতে যিকোনো দিশত কাৰিকৰী কাৰ্যত দক্ষ হ'ব লাগিব।

আমি ইয়াৰ বাবে উচিত বেতন দিম। ঈশ্বৰে তেওঁৰ এই পৰিচৰ্যাৰ বাবে উপযুক্ত মানুহ যোগাবলৈ তেওঁলৈ প্ৰাৰ্থনা কৰক।

পৰৱৰ্তী ২০২১ নৱবৰ্ষত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাবিলাকত পৰৱৰ্তী স্তৰলৈ বিস্তাৰ কৰিবলৈ আমি অগ্ৰগতিত আছো।

বৰদিন আৰু নৱবৰ্ষ চমু চাপি আহি আছে। আমি আপোনালোকক যত্নত থাকিবলৈ, মাস্ক পিন্ধিবলৈ আৰু বাৰে বাৰে হাত ধুবলৈ আৰু সামাজিক দূৰত্ব বজায় ৰাখিবলৈ পৰামৰ্শ আগবঢ়াবলৈ খোজো। কিয়নো আমি আমাৰ উৎসৱবোৰ পালন কৰা ভাল। "ঈশ্বৰে তেওঁৰ একমাত্ৰ পুত্ৰক আমালৈ দান কৰিলে যাতে যিকোনোৱে তেওঁত বিশ্বাস কৰে তেওঁ নষ্ট নহয় কিন্তু অ নন্ত জীৱন পায়" (যোহন ৩ঃ১৬)। তেন্তে আমি আপোনালোকৰ সকলোকে শুভ বৰদিন আৰু এক সমৃদ্ধিশালী ২০২১ নৱবৰ্ষৰ শুভেচ্ছা জনাইছো।

"আৰু যিহোৱা সদায় তোমাৰ পথদৰ্শক হ'ব, আৰু শুকান ঠাইবোৰত তোমাৰ প্ৰাণ তৃপ্ত কৰিব আৰু তোমাৰ অস্থিবোৰ সবল কৰিব, তাতে তুমি ভালকৈ পানী দিয়া এক উদ্যানৰ নিচিনা হ'বা আৰু যাৰ জল কেতিয়াও শুকাই নাযায়, তুমি এনে এক জলভুমুকৰ নিচিনা হ'বা" (যিচয়া ৫৮ঃ১১)।

এই নৱবৰ্ষত ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

খ্ৰীষ্টত আপোনাৰ সেৱক

**পালক চাম আৰু চেমচন**

---

*(প্ৰথম পৃষ্ঠাৰ পৰা)*

প্ৰভুক নিলে কিন্তু, তেওঁক থ'লে বা ক'ত তাক নাজানো" (যোহন ২০ঃ১৩) *পাঁচনি যোহনে যেতিয়া পাত্ম নামেৰে দীপত বনবাসত আছিল, তেতিয়া প্ৰভুৱে তেওঁক ক'লে, "ময়েই আলফা আৰু ওমিগা, আদি আৰু অন্ত, আৰু "তুমি যি দৰ্শন মোৰ পৰা পাবা, তাক পুথিৰ নুৱাত লিখি, ইফিচ, স্মুৰ্ণা, পৰ্গাম, থুয়াতীৰা, চাৰ্দ্দি, ফিলাদেলফিয়া, আৰু লায়দিকিয়া, এচিয়াৰ এই সাত মণ্ডলীলৈ পঠাই দিবা (প্ৰকাশিত বাক্য ১ঃ১১)।* সেই একে জনা ঈশ্বৰে ১৯৬৯ চনত কন্যাকুমাৰী জিলাৰ মোৰ জন্মস্থানত মোক দৰ্শন দিছিল। দৰ্শন শব্দটোক তলত দিয়া

---

*তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্য্যাবিলাক তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী আপোনাৰ দৰে পঢ়ুৱৈ আৰু স্ব-ইচ্ছাৰে বৰঙণি দিয়া লোকসকল আৰু আমাৰ প্ৰিয় বন্ধুসকলে দিয়া বৰঙণিৰ দ্বাৰাই চলোৱা হৈছে। হৰ্ষিত মনেৰে দিয়া জনক ঈশ্বৰে প্ৰেম কৰে (২ কৰিন্থীয়া ৯ঃ৭) সকলো প্ৰকাৰে - সকলো মূল্যৰে সকলো উপায়েৰে - প্ৰত্যেক প্ৰকাৰে - কিছুমানক উদ্ধাৰ কৰক (১ কৰিন্থীয়া ৯ঃ২২) (এভি)।*

*- সম্পাদক*

শ্ৰেণীত ভাগ কৰিব পাৰি যেনে-(১) ঈশ্বৰৰ দৰ্শন (২) ঈশ্বৰৰ পৰা দৰ্শন আৰু (৩) ঈশ্বৰৰ বিষয়ে দৰ্শন।

## ১। ঈশ্বৰৰ দৰ্শন।

ল'ৰা চমুৱেলৰ ঈশ্বৰৰ দৰ্শন আছিল। ঈশ্বৰে তেওঁক ইস্ৰায়েলবিলাকৰ ভাববাদী আৰু বিচাৰকৰ্তা বনাবলৈ বিচাৰিছিল। তেওঁ তেওঁৰ হৃদয় আৰু মনক ডাঙৰ কৰিবলৈ কথা পাতিছিল। তেওঁ যি দেখিছিল তাতকৈয়ো আৰু অধিক দৰ্শন দেখিবলৈ ঈশ্বৰে তেওঁক দিছিল। গতিকে তেওঁক মানুহবিলাকৰ দ্বাৰাই দৰ্শক আৰু ভাববাদী বুলি মতা হৈছিল। চৌল ডেকা থকাৰ সময়ত, যেতিয়া তেওঁ আৰু তেওঁৰ দাসবিলাকে হেৰুৱা গাধবোৰ বিচাৰি গৈছিল তেতিয়া মানুহবিলাকে তেওঁক চলাই নিছিল। চমুৱেলে ইস্ৰায়েলবিলাকক ভাববাদী আৰু বিচাৰকৰ্তা হিচাবে ৫২ বছৰ ধৰি পৰিচালনা কৰিছিল।

যীচু খ্ৰীষ্টৰো এটা দৰ্শন আছিলঃ "যীচুৱে তেওঁলোকক ক'লে, মোক পঠোৱা জনাৰ ইচ্ছা পালন কৰা আৰু তেওঁৰ কাৰ্য্য সিদ্ধি কৰাই মোৰ আহাৰ" (যোহন ৪ঃ৩৪) ঈশ্বৰে আমাত তেওঁৰ ইচ্ছাক সিদ্ধ কৰিবলৈ তৈয়াৰ কৰিছে। আমাৰ যেতিয়ালৈকে তেওঁৰ ইচ্ছাৰ বিষয়ে দৰ্শন নাথাকে, আমি কেতিয়াও সিদ্ধ কৰিব নোৱাৰিম। আমাৰ জীৱনৰ ওপৰত তেওঁৰ ইচ্ছা আৰু আমাৰ দৰ্শন এই দুয়োৱে একেলগে কাৰ্য্য কৰা উচিত।

যিদৰে আহাৰে আমাৰ শৰীৰলৈ উজ্জ্বলতা, সন্তোষ্টি আৰু বল দিয়ে সেই একেদৰে আমাৰ দৰ্শনৰ সিদ্ধতায়ো আমাৰ আত্মালৈ আনন্দ আনিব লাগে। ইয়ে আমাৰ আত্মালৈ বল আৰু মনক সন্তোষ দিয়ে। যীচু খ্ৰীষ্টক ঈশ্বৰৰ দ্বাৰাই এই পৃথিৱীলৈ তেওঁৰ কাৰ্য্য কৰিবলৈ পঠোৱা হৈছিল আৰু এই কাৰ্য্য পিতৃক সন্তোষ দিবলৈ পৰিপূৰ্ণ কৰা হৈছিল। প্ৰভুৱে ক'লে, "তুমি মোক যি কৰ্ম কৰিবলৈ দিছিলা, মই তাক সিদ্ধ কৰি, পৃথিৱীত তোমাক মহিমাণ্ডিত কৰিলো" (যোহন ১৭ঃ৪)

আমাৰ সকলোৰেই এটা দৰ্শন ৰখা উচিত। আমি এই পৃথিৱীত কি কাৰণে জন্ম গ্ৰহণ কৰিছো। আমি এই পৃথিৱীত নিজ ইচ্ছামতে অহা নাই আৰু আমাক এই পৃথিৱীত এটা লক্ষ্যক সিদ্ধ কৰিবলৈ পঠোৱা হৈছে। যদি মানুহবিলাকে এই পৃথিৱীত এটা লক্ষ্য নোহোৱাকৈ অহা হ'লে এই পৃথিৱীখন আজিৰ দৰে হৈ নাথাকিলহেঁতেন। প্ৰতিটো সময়ত ঈশ্বৰৰ বাক্য দিবলৈ মানুহবিলাক মোচি আৰু ভাববাদীসকলে নিজ নিজ ভাগ পাইছে (লূক ১৬ঃ২৯)। প্ৰভু ঈশ্বৰে কিছুমানক পাঁচনি, কিছুমানক ভাববাদী, কিছুমানক শুভবাৰ্তা প্ৰচাৰক, কিছুমানক ৰক্ষক আৰু কিছুমানক শিক্ষক হ'বলৈ দিলে (ইফিচীয়া ৪ঃ১৩)। প্ৰত্যেক বংশলৈ তেওঁৰ পৰিচৰ্য্যাৰ বাবে প্ৰভুৱে এই লোকসকলৰ উপস্থিতিক নিশ্চিত কৰে।

ঈশ্বৰৰ দৰ্শন নোপোৱালৈকে আমি আমাৰ জীৱনত নিৰ্দেশহীন হ'ব আৰু সিদ্ধান্তত উপনীত হ'ব নোৱাৰিম। আমি যিহকে ইচ্ছা তাকে কৰি কাৰ্য্য কৰিলে আমি লক্ষ্যত উপনীত হ'ব নোৱাৰিব। ইয়াৰ বাবে তেওঁৰ পোনপটীয়া আৰ্ভিভাৰ বা তেওঁৰ বাক্যৰ দ্বাৰাই আমি দৰ্শন পাব লাগিব। প্ৰত্যেকেই নিজ জীৱনত দৰ্শন পাবলৈ ঈশ্বৰৰ উপস্থিতিৰ বাবে আশা কৰিব নোৱাৰে। ঈশ্বৰে তেওঁৰ বাক্যৰ যোগেদিও দৰ্শন দিব পাৰে। যেতিয়া আমি বাইবেল অধ্যয়ন কৰিম, ধ্যান কৰিম আৰু প্ৰাৰ্থনা কৰিম, আমি দৰ্শন পাব পাৰো। যেতিয়া আমি ঈশ্বৰৰ দৰ্শন পাম, তেতিয়া আমি উপযুক্ত বল পাম, আমি সঠিক কাৰ্য্যবোৰ কৰিবলৈ পাৰিম। এইদৰে হ'লে আমি উপচি পৰা আনন্দ পাম আৰু আশীৰ্বাদবোৰ পাম। আহাৰে আমাক আমাৰ জীৱিকা আৰু জীয়াই থকাত সহায় কৰে। ইয়ে আমাক শক্তি যোগাই আৰু সন্তোষ দিয়ে। অভাৱত থকা লোকসকলক ইয়াত ভগাব পৰা যায়। যীচুৰ বাবে আহাৰে ঈশ্বৰৰ ইচ্ছাক সিদ্ধ কৰিছিল। যেতিয়া আমি ঈশ্বৰৰ ইচ্ছাক সিদ্ধ কৰো, তেতিয়া ঈশ্বৰে আমালৈ প্ৰয়োজনীয় বস্তুবোৰক দিবা আমি চিন্তা কৰাৰ প্ৰয়োজন।

## ২। ঈশ্বৰৰ পৰা দৰ্শন

যিৰিমিয়া পুস্তকত আমি এটা গুৰুত্বপূৰ্ণ ঈশ্বৰৰ বাৰ্তাৰ বিষয়ে পাওঁ। যিৰিমিয়া ১ঃ৪-১০

৪। যিহোৱাৰ বাক্য মোৰ ওচৰলৈ আহিল।

৫। বোলে, "উদৰত তোমাক নিৰ্মাণ কৰাৰ পূৰ্বেই মই তোমাক জানিলো আৰু তুমি গৰ্ভৰ পৰা বাহিৰ হোৱাৰ পূৰ্বেই মই তোমাক পবিত্ৰ কৰিলোঁ; মই তোমাক জাতিবিলাকৰ গুৰিত ভাববাদী কৰি নিযুক্ত কৰিলোঁ।

৬। তাতে মই ক'লো হায় হায় প্ৰভু যিহোৱা, চোৱা, মই কথা ক'ব নাজানো; কিয়নো মই ল'ৰা মানুহ।

৭। কিন্তু যিহোৱাই মোক ক'লে, "মই ল'ৰা মানুহ", এনে কথা নকবা; কিয়নো মই তোমাক যিবিলাকৰ ওচৰলৈ পঠাম, তেওঁবিলাকৰ গুৰিলৈ তুমি যাবা আৰু তোমাক যি যি আজ্ঞা কৰিম, সেই সকলোকে ক'বা।

৮। "তেওঁ বিলাকলৈ ভয় নকৰিবা; কিয়নো যিহোৱাই কৈছে, "তোমাৰ উদ্ধাৰৰ অৰ্থে মই তোমাৰ লগতে আছো।

৯। পাছে যিহোৱাই নিজ হাত মেলি মোৰ মুখ স্পৰ্শ কৰিলে আৰু যিহোৱাই মোক ক'লে, "চোৱা, মই মোৰ বাক্য তোমাৰ মুখত দিলো।"

১০। "চোৱা, উঘালিবলৈ আৰু ভাঙিবলৈ, বিনষ্ট কৰিবলৈ আৰু উৎপাত কৰিবলৈ, সাজিবলৈ আৰু ক'বলৈ জাতিবিলাকৰ আৰু ৰাজ্যবিলাকৰ ওপৰত মই আজি তোমাক নিযুক্ত কৰিলো।"

এই ঈশ্বৰৰ বাক্য যিৰিমিয়ালৈ আহিছিল। দেশসমূহ আৰু ৰাজ্যসমূহলৈ ঈশ্বৰৰ বাক্য কঢ়িয়াই লৈ যাবলৈ ঈশ্বৰে তেওঁক "উঘালিবলৈ আৰু ভাঙিবলৈ, বিনষ্ট কৰিবলৈ আৰু সাজিবলৈ মাতৃৰ গৰ্ভৰ পৰা পৃথক কৰিলে।" যিহূদালৈ এইটো এটা স্পষ্ট দৰ্শন। দেশখনে ঈশ্বৰৰ ইচ্ছাৰ পৰা আঁতৰি গৈছিল, ইয়াক উঘালিবলৈ আৰু বিনষ্ট কৰিবলৈ, যাতে অৱশিষ্ট লোকবিলাকৰ পৰা এটা নতুন জাতি উৎপন্ন কৰা হ'ব।

যেতিয়া ঈশ্বৰৰ লোকবিলাকে ঈশ্বৰৰ ইচ্ছাৰ পৰা দূৰলৈ গুচি যায়, তেওঁ তেওঁবিলাকক উঘালিবলৈ, বিনষ্ট কৰিবলৈ আৰু সাজিবলৈ সঙ্কোচ নকৰিব। সকলো বিপৰ্যয় বিলাকে যেতিয়া দেশসমূহৰ ওপৰত আঘাত আনে তেতিয়া দেশসমূহলৈ এটা শিক্ষা দিয়ে। যদি ক'ৰণাই দেশসমূহলৈ আঘাত হানিছে, তাৰ মানে ঈশ্বৰে দেশসমূহৰ লোকৰ টোপনিৰ পৰা সাৰ পোৱাবলৈ বিচাৰে আৰু তেওঁবিলাকৰ অধৰ্ম আৰু পাপবোৰক পৰিস্কাৰ কৰাটো বিচাৰে। এই কাৰ্য্য ধ্বংস কৰিবৰ বাবে নহয়, শুধৰাবলৈ আৰু সাজিবৰ বাবেহে কৰে। গতিকে জাতিবিলাকে ভয় নকৰিব, ঈশ্বৰে সকলো কাৰ্য্য ভালৰ বাবেহে কৰে। কষ্টবোৰ খন্তেকৰ বাবেহে হয় আৰু উদ্ধাৰৰ কাৰ্য্যটো চিৰদিনৰ বাবে হয়।

## ৩। ঈশ্বৰৰ বিষয়ে দৰ্শন

ঈশ্বৰে ইস্ৰায়েল লোকবিলাকলৈ এজন মহান যোগাও তাৰ দৰে দৰ্শন দিছিল। সমস্ত ইস্ৰায়েল

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) **আৰু**
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

**২০২০ চনৰ ১৯ ডিচেম্বৰৰ পৰা ২০২১ চনৰ ১৮ জানুৱাৰী লৈ**

## প্ৰশংসাৰ বিষয়সমূহ

১৯ ডিচেম্বৰঃ আমাৰ সহকাৰী সম্পাদক প্ৰিয় ভাই এম. পৌলৰাজৰ সৈতে ঈশ্বৰৰ সুস্থকাৰী হাত থকাৰ বাবে।

২০ ডিচেম্বৰঃ উৰ্দু ভাষাত আমাৰ নতুন সহকাৰী সম্পাদকৰ সৈতে পৰিচৰ্যাবোৰত ঈশ্বৰে আশীৰ্বাদ কৰিলে।

২১ ডিচেম্বৰঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনী নতুনকৈ মণিপুৰী ভাষাত প্ৰকাশ কৰাত ঈশ্বৰে আমাক সমৰ্থ কৰিলে।

২২ ডিচেম্বৰঃ আমাৰ চেইণ্ট পৌলচ মেট্ৰিকুলেশ্বন স্কুলৰ বাবে নতুন অধ্যক্ষ এজনক ঈশ্বৰে যোগাই দিলে।

২৩ ডিচেম্বৰঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাবিলাকৰ অভাৱবোৰক ঈশ্বৰে যোগোৱাৰ বাবে তেওঁৰ প্ৰশংসা কৰোহক।

২৪ ডিচেম্বৰঃ ঈশ্বৰে আমাক এইবছৰ বৰদিনৰ লৈকে ৰক্ষা কৰি আহিছে।

২৫ ডিচেম্বৰ ঃ ঈশ্বৰে তেওঁৰ একমাত্ৰ পুত্ৰ প্ৰভু যীচু খ্ৰীষ্টক এজন ত্ৰাণকৰ্তাৰূপে এই পৃথিৱীলৈ পঠোৱাৰ বাবে তেওঁৰ প্ৰশংসা কৰোহক।

২৬ ডিচেম্বৰঃ আমাৰ ছপাশালত ১৬ টা ভাষাত আলোচনী ছপা কৰি মিশ্বন ফিল্ডলৈ পঠোৱাত ঈশ্বৰে আশীৰ্বাদ কৰিলে

২৭ ডিচেম্বৰঃ ক'ৰণাত সংক্ৰমিত লোকসলক আৰু আমাৰ পৰিচৰ্যাবিলাকত সহায় কৰা আগ-ভাগ লোৱা দয়ালু মনৰ আমাৰ প্ৰিয়সকলৰ বাবে ঈশ্বৰক ধন্যবাদ জনাওঁ।

২৮ ডিচেম্বৰঃ অতীত হৈ যোৱা বছৰবিলাকত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাত সহায় কৰা লোকসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

২৯ ডিচেম্বৰঃ এই ২০২০ বৰ্যত আমাৰ সকলো ৰাজ্যিক পৰিচালকসকলক ঈশ্বৰে আচৰিতভাৱে ৰক্ষা কৰিলে।

৩০ ডিচেম্বৰঃ আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাবিলাকৰ গোটেই দলটিৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

৩১ ডিচেম্বৰঃ ২০২০ ৰ সমস্ত বৰ্যত ঈশ্বৰে আমাক ৰক্ষা কৰিলে।

১ জানুৱাৰী ঃ যোৱা অতীতৰ বছৰবিলাকত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাবিলাকৰ বাবে প্ৰাৰ্থনাৰে সহায় কৰা লোকসকলৰ বাবে ঈশ্বৰক প্ৰশংসা কৰো।

২ জানুৱাৰী ঃ আমাৰ প্ৰাৰ্থনাৰ অংশীদাৰসকল, পঢ়ুৱৈ অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল, জীৱন অংশীদাৰসকল আৰু মহান আজ্ঞাৰ অংশীদাৰসকল আৰু তেঁওলোকৰ সকলো পৰিয়ালবৰ্গৰ বাবে ঈশ্বৰৰ প্ৰশংসা কৰো।

৩ জানুৱাৰী ঃ আমাৰ জ্যেষ্ঠ পালক এচ. চাম. ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক আমাৰ ঈশ্বৰে সকলো মন্দ শক্তিৰ পৰা ঈশ্বৰে ৰক্ষা কৰি আছে।

## প্ৰাৰ্থনা বিষয়বস্তুসমূহ

৪ জানুৱাৰী ঃ এই মাহটোত তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি পৰিচাৰ্যাৰ বাবে ঈশ্বৰে আমাক সকলো আৰ্থিক প্ৰয়োজনবিলাকক যোগালে।

৫ জানুৱাৰী ঃ আমাৰ কেন্দ্ৰীয় মণ্ডলীত, স্কুল, বাইবেল কলেজ, ছপাশাল, প্ৰকাশন, অফিচ আৰু ইয়াৰ কৰ্মীসকললৈ এই ২০২১ বৰ্যত ঈশ্বৰে নতুন অভিযেক পঠোৱাৰ প্ৰয়োজন আছে।

৬ জানুৱাৰী ঃ আমাৰ ইংৰাজী সহকাৰী সম্পাদক ভাই এম. পৌলৰাজৰ সম্পূৰ্ণ আৰোগ্যৰ বাবে একেৰাহে প্ৰাৰ্থনা কৰক।

৭ জানুৱাৰী ঃ কভিড-১৯ সময়ছোৱাত আমাৰ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ সকলো পৰিচৰ্যাবিলাকৰ কাৰ্যবিলাকৰ বাবে প্ৰাৰ্থনা কৰক।

৮ জানুৱাৰী ঃ পৃথিৱীৰ পৰা ক'ৰণা ভাইৰাচক সম্পূৰ্ণভাৱে গুচাই দিবলৈ প্ৰাৰ্থনা কৰোহক।

৯ জানুৱাৰী ঃ আমাৰ সহকাৰী সম্পাদক ভাই, পৌলৰাজে লিখা তামিল পুস্তক "ঈশ্বৰৰ ৰাজ্য" অতি সোনকালে প্ৰকাশ কৰাত ঈশ্বৰৰ সহায় লাগে।

১০ জানুৱাৰী ঃ গোটেই পৃথিৱীৰ খ্ৰীষ্টিয়ান মণ্ডলীবিলাক একতাৰে থাকিবলৈ ঈশ্বৰৰ পৰা সহায় লাগে।

১১ জানুৱাৰী ঃ ক'ৰুণা ভাইৰাচত প্ৰভাৱিত হৈ প্ৰাণ হেৰুওৱা লোকবিলাকৰ পৰিয়ালবৰ্গৰ বাবে প্ৰাৰ্থনা কৰক।

১২ জানুৱাৰী ঃ পৃথিৱীৰ সকলো লোকবিলাকৰ বাবে প্ৰাৰ্থনা কৰক।

১৩ জানুৱাৰী ঃ কাৰাগাৰত পৰিচৰ্যা কৰা ঈশ্বৰৰ দাসসকলৰ বাবে প্ৰাৰ্থনা কৰক।

১৪ জানুৱাৰী ঃ আমাৰ বাইবেল যোগাযোগ পাঠ্যক্ৰম, থিয়'ল'জিকেল যোগাযোগ পাঠ্যক্ৰম আৰু বাইবেল কলেজৰ বিস্তাৰৰ বাবে প্ৰাৰ্থনা কৰক।

১৫ জানুৱাৰী ঃ এই বৰ্যত আমাৰ জ্যেষ্ঠ পালকৰ পৰিকল্পনা আৰু দৰ্শনবিলাক সিদ্ধ হ'বলৈ বাবে প্ৰাৰ্থনা কৰক।

১৬ জানুৱাৰী ঃ উত্তৰ ভাৰতৰ পৰিচাৰকসকল নিৰাপত্তা আৰু ঈশ্বৰৰ সহায়ৰ বাবে প্ৰাৰ্থনা কৰক।

১৭ জানুৱাৰী ঃ আমাৰ সহকাৰী সম্পাদকসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক ঈশ্বৰে আশীৰ্বাদ কৰক।

১৮ জানুৱাৰী ঃ আমাৰ জ্যেষ্ঠ পালক এচ, চাম, ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গ আৰু তেওঁৰ দলটিক সকলো মন্দ শক্তিৰ পৰা ঈশ্বৰে ৰক্ষা কৰক।

লোকবিলাকে মিচৰ দেশৰ পৰা ওলাই আহি প্ৰতিশ্ৰুতিবদ্ধৰ দেশ কনান দেশলৈ যাত্ৰা আৰম্ভ কৰিছিল।

তেওঁবিলাকে চুফ সাগৰৰ ফালে যাত্ৰা কৰি আছিল। মিচৰীয়া সৈন্যবিলাকে ইস্ৰায়েল লোকবিলাকৰ পিছে পিছে খেদি আহিছিল। তেওঁবিলাকে সাগৰৰ গভীৰ পানীৰ সন্মুখত বাচিবৰ বাবে আন কোনো উপায় নাপালে। তেওঁবিলাকে এই দুখময় যাত্ৰাৰ বাবে মোচি আৰু হাৰোণক নিন্দা কৰিবলৈ ধৰিলে। মোচি সহায়হীন আছিল। কিন্তু তেওঁ জানিছিল যে ঈশ্বৰে তেওঁবিলাকক ৰক্ষা কৰিবলৈ নিশ্চয় কিবা এটা কাৰ্য কৰিব।

তেতিয়া মোচিয়ে লোকসমূহক ক'লে, "তোমালোকে ভয় নকৰিবা, থিৰে থাকা; যিহোৱাই আজি তোমালোকলৈ যি পৰিত্ৰাণৰ কাৰ্য সিদ্ধ কৰিব, তাক দেখিবা; কিয়নো এই ঈশ্বৰে মোচিক তেওঁৰ লাখুটি তুলি সাগৰৰ ওপৰত কোব মাৰি পানীক দুভাগ কৰিবলৈ আজ্ঞা দিলে, যাতে ইস্ৰায়েলৰ সন্তানবিলাকে সাগৰৰ শুকান মাটিৰ মাজেদি পাৰ হৈ যাব পাৰিব আৰু মহৎ কাৰ্য ঘটিল। ঈশ্বৰে চুফ সাগৰক দুভাগ কৰিলে আৰু লোকসমূহে শুকান মাটিয়েদি সাগৰ পাৰ কৰিলে। মিচৰীয়াবিলাকে তেওঁবিলাকৰ পিছে পিছে খেদি যাবলৈ মন কৰিলে; কিন্তু হায় হায়, তেওঁবিলাকে পানীৰ মৈদামত পোত গ'ল, ঈশ্বৰে যে কোন হয় তাক তেওঁ নিজকে প্ৰকাশ কৰি দেখুৱালে।

ইস্ৰায়েলবিলাকে যি আহাৰ তেওঁবিলাকৰ লগত লৈ আহিছিল সেইবোৰ নষ্ট হৈ গৈছিল আৰু তেওঁবিলাকৰ আহাৰৰ প্ৰয়োজন হৈছিল। ঈশ্বৰে ৪০ বছৰ ধৰি হাজাৰ হাজাৰ লোকবিলাকক আহাৰ যোগাবলৈ স্বৰ্গৰ পৰা মান্না বৰষালে। হোৰেবত ঈশ্বৰে মোচিক শিলৰ ওপৰত তেওঁৰ লাখুটিৰে প্ৰহাৰ কৰিবলৈ ক'লে, মোচিয়ে তেনে কৰাত তাৰ পৰা প্ৰবল বেগেৰে পানী ওলালে আৰু লোকসমূহে সেই পানী পান কৰিলে। মোচিয়ে সেই ঠাইক মেৰীবা নাম দিলে (যাত্ৰাপুস্তক ১৭ ঃ ১-৭)।

যেতিয়া যৰ্দ্দন নদীয়ে যাত্ৰা কৰা লোকসমূহৰ বাবে বাধা স্বৰূপে থিয় দিছিল, তেতিয়া যিহোছুৱাই লোকসমূহক নিজকে পবিত্ৰ কৰিবলৈ ক'লে, যাতে ঈশ্বৰে তেওঁবিলাকলৈ এক আচৰিত কৰ্ম কৰিব। পুৰোহিত আৰু লেবীবিলাকে লোকসমূহৰ আগত ঈশ্বৰ তম্বুক কঢ়িয়ালে আৰু যেতিয়া তেওঁবিলাকৰ ভৰিয়ে নদীৰ পানীক স্পৰ্শ কৰিলে, এইটো ৰৈ গ'ল আৰু দুভাগ হৈ গ'ল। ইস্ৰায়েলবিলাকে আৰু তেওঁবিলাকৰ সকলো জীৱজন্তুৱে নদীৰ শুকান ভূমিয়েদি পাৰ হৈ গৈছিল।

ঈশ্বৰে তেওঁৰ পৰাক্ৰমেৰে ইস্ৰায়েল লোকবিলাকৰ আগত নিজকে প্ৰকাশ কৰিলে। আমাৰ ঈশ্বৰ এজন আচৰিত কৰ্ম কৰিব পৰা ঈশ্বৰ হয়।

"তোমালোকে পূৰ্বকালৰ কথা সোঁৱৰণ নকৰিবা আৰু পুৰণি কথাবোৰলৈ বিবেচনা নকৰিবা।" "চোৱা, মই এক নতুন কাৰ্য কৰিম; সেয়ে এতিয়াই ঘটিব; তোমালোকে জানো তাক নাজানিবা? মই অৰণ্যৰ মাজত পথ আৰু মৰুভূমিত নদীবোৰ উৎপন্ন কৰিম।" (যিচয়া ৪৩ ঃ ১৮, ১৯)

বিশ্ব ব্ৰহ্মাণ্ডৰ আমাৰ ঈশ্বৰ এজন আচৰিত কাৰ্য কৰোতা ঈশ্বৰ হয়। তেওঁ নিজকে দৰ্শন দিয়া লোকসমূহ হৈছে যেনে — চামুৱেল, কান্দি থকা মগদলনী মৰিয়ম আৰু পাত্ম দীপত পাঁচনি যোহন। যিৰিমিয়া ভাববাদীয়ে তেওঁৰ পৰিচৰ্যা কৰিবলৈ ঈশ্বৰৰ পৰা দৰ্শন পাইছিল।

ঈশ্বৰে নিজৰ বিষয়ে ইস্ৰায়েলবিলাকৰ যাত্ৰাত থকা লোকসমূহলৈ তেওঁবিলাকৰ প্ৰতিশ্ৰুতিবদ্ধ দেশলৈ যাওঁতে দৰ্শন দিছিল। পবিত্ৰ বাইবেলত এই ইতিহাসৰ বিষয়ে পূৰ্ণ হৈ আছে।

**১। ঈশ্বৰৰ দৰ্শন**

**২। ঈশ্বৰৰ পৰা দৰ্শন**

**৩। ঈশ্বৰৰ বিষয়ে দৰ্শন**

পবিত্ৰ কনানলৈ আপোনাৰ যাত্ৰাৰ সময়ত সৰ্বশক্তিমান ঈশ্বৰে আপোনাক দৰ্শন দিয়ক।

---

# এজন মানুহৰ পৰা ঈশ্বৰে কি বিচাৰে?

**ৰেভা ঃ পি, ভেথানায়াগামনি**

**"হে মনুষ্য, যি ভাল; তাক তেওঁ তোমাক দেখুৱালে, আৰু ন্যায় কাৰ্য কৰাৰ, দয়া ভাল পোৱাৰ, আৰু নম্ৰভাৱে নিজ ঈশ্বৰে সৈতে চলাৰ বাহিৰে যিহোৱাই তোমাৰ পৰা আৰু কি বিচাৰে?" (মীখা ৬ ঃ ৮)।**

ঈশ্বৰে মানুহক তেওঁৰ সৈতে গভীৰ সম্পৰ্ক বজায় ৰাখিবলৈ সৃষ্টি কৰিছিল। সৃষ্টিৰ এয়েই এক প্ৰধান উদ্দেশ্য আছিল। যদি এনে সম্পৰ্ক চলি থকা হ'লে, ঈশ্বৰে আৰু কি বিচাৰিলেহেতেন? এনে অনুসন্ধান কেৱল স্বাভাৱিক নহয় কিন্তু আৱশ্যকো হয়। এই অনুসন্ধানৰ উত্তৰটো বাইবেলত পোৱা যায়, যিয়ে মানুহৰ বাবে ঈশ্বৰৰ ইচ্ছা আৰু তেওঁবিলাকৰ সৈতে ঈশ্বৰৰ পদ্ধতিৰ ভাঙনি কৰিছে। আদৰ্শ অনুসাৰে আৰু বাস্তৱৰ অনুসাৰে ঈশ্বৰৰ যে প্ৰয়োজন আছে শাস্ত্ৰই তাকেই কয়।

ঈশ্বৰত আদৰ্শ আৰু বাস্তৱ একে সমান হয়। তেওঁ যি হয়, তেওঁ তেনে হোৱা উচিত। কিন্তু মানুহত সেয়ে একে সমান নহয়। এজন মানুহে যীচু খ্ৰীষ্টৰ সৈতে ব্যক্তিগত মুখামুখী হোৱাৰ পাছত যেতিয়া তেওঁ নিজকে পবিত্ৰ বুলি গণনা কৰে তেওঁ এইদৰে পাপ স্বীকাৰ কৰে, "অ' মই কিয়ে এজন চৰম দুৰ্দশাগ্ৰস্থ লোক। কেৱল যীচু খ্ৰীষ্টই মানৱ জাতিৰ ইতিহাসত তেওঁৰ অভিজ্ঞতাত ঈশ্বৰৰ প্ৰকৃত আৱশ্যক আৰু আদৰ্শক একত্ৰিত কৰিছে।

মানৱ জাতিৰ অভিজ্ঞতাত বাস্তৱ আৰু আদৰ্শ এক সমান নহয়, গতিকে আমাৰ এই অনুসন্ধানক দুটা ভাগত ভাগ কৰিবলৈ ইচ্ছা কৰিছো। প্ৰথমতে ঈশ্বৰৰ আদৰ্শৰ আৱশ্যকতা, দ্বিতীয়তে ঈশ্বৰৰ প্ৰকৃত আৱশ্যকতা।

## ঈশ্বৰৰ আদৰ্শৰ আৱশ্যকতা

দ্বিতীয় বিৱৰণ পুস্তকত লিখা আছে যে ঈশ্বৰে মানুহৰ পৰা ইয়াকে বিচাৰে যে মানুহে তেওঁক প্ৰেম কৰিব লাগে আৰু আৰাধনা কৰিব লাগে আৰু তেওঁৰ বাক্যক পালন কৰিব লাগে। দ্বিতীয় বিৱৰণ ১১ ঃ ১)। পুৰণি নিয়মৰ প্ৰসিদ্ধ ভাববাদী মীখাই কয় যে ঈশ্বৰে মানুহৰ পৰা বিচাৰে যে "মানুহে ন্যায় কাৰ্য কৰা, দয়া ভালপোৱা আৰু নম্ৰভাৱে নিজ ঈশ্বৰে সৈতে চলা উচিত" (মীখা ৬ ঃ ৮)। এই সকলো ঘোষণাবোৰত "আৱশ্যক" শব্দটো আমাৰ অনুবাদত ব্যৱহাৰ কৰা হৈছে। কিন্তু আচল ইব্ৰী বাইবেলত, যদিও এইবোৰে একে ধাৰণা দিয়ে, কিন্তু গুৰুত্ব দিয়াত বিভিন্নতা আছে।

দ্বিতীয় বিৱৰণত ইব্ৰী শব্দৰ অৰ্থ এইদৰে বুজায়, "এইটোৱেই হয় যাক ঈশ্বৰে বিচাৰে" আন

বাক্যত ক'বলৈ হ'লে সেইটোকে ঈশ্বৰে বিচাৰে। কিন্তু মীখাই ইয়াৰ ওপৰত অধিক হেঁচাক ব্যৱহাৰ কৰিছে। "ইয়াৰ ওপৰতেই ঈশ্বৰে দৃঢ়তা সহকাৰে কৈছে"। যেতিয়া বিধান দিয়া হৈছিল। ইয়াক সাধাৰণ পৰিভাষাত কৈছিল, ইয়াকে ঈশ্বৰে বিচাৰে। কিন্তু যেতিয়া বিধানক ভঙা হৈছিল, মীখাই কৈছিল যে, ঈশ্বৰে বিচাৰে যে মানুহে ভাল কাৰ্য কৰক, দয়া ভাল পাওক আৰু ঈশ্বৰৰ সৈতে চলক।

নতুন নিয়মত মই যীচুৰ বাক্যত ঈশ্বৰৰ আৱশ্যকতাবোৰৰ বিষয়ে পাওঁ, যেতিয়া তেওঁ এজন বিধান পণ্ডিতৰ বিদ্ৰোপপূৰ্ণ প্ৰশ্নৰ উত্তৰ দিছিল, "তুমি সকলো হৃদয়, সকলো প্ৰাণ আৰু সকলো চিত্তেৰে তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা। এয়ে প্ৰধান আৰু প্ৰথম আজ্ঞা আৰু তাৰে নিচিনা দ্বিতীয়টো এই, তোমাক চুবুৰীয়াক তোমাৰ নিচিনাকৈ প্ৰেম কৰা এই দুটা আজ্ঞাতে গোটেই বিধান আৰু ভাববাদীসকলৰ বাক্য ওলমি আছে" (মথি ২২.৩৭-৪০)। মোচি আৰু মীখাই যিমানবোৰ বাক্য কৈছিল ইয়াতেই সংযুক্ত হৈ আছে, "তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা ... তোমাৰ ওচৰচুবুৰীয়াক তোমাৰ নিচিনাকৈ প্ৰেম কৰা"।

আন এঠাইত যীচুৱে এই বাক্যক বেলেগ ধৰণে বৰ্ণনা কৰি কৈছে, "এই হেতুকে তোমালোকৰ স্বৰ্গীয় পিতৃ যেনে সিদ্ধ তোমালোকো তেনে সিদ্ধ হ'বা" (মথি ৫ ঃ ৪৮) "সিদ্ধ" শব্দৰ অৰ্থটো নো কি? এইয়ে সঠিকভাৱে পাপৰ বিপৰীতে, পাপক নতুন নিয়মত "লক্ষ্যভ্ৰষ্ট হোৱা বুলি বোজা যায়। সিদ্ধ শব্দৰ সঠিক ধাৰণা হৈছে লক্ষ্যত আঘাত কৰা। সিদ্ধ হোৱা মানে "তুমি লক্ষ্যৰ পৰা ভ্ৰষ্ট নহ'বা, কিন্তু ইয়াত আঘাত কৰা। তুমি কৰিবা মানে ঈশ্বৰে তুমি কৰিব লাগিব বুলি কোৱাকে বুজায়।"

এই বাক্যবোৰৰ অৰ্থই কি বুজায়? ঈশ্বৰে প্ৰত্যেক মানৱ জাতিৰ পৰা সিদ্ধতাক বিচাৰে, আদৰ্শক উপলব্ধি কৰাক বুজায়। ঈশ্বৰৰ প্ৰথম প্ৰয়োজনীয়তা ঈশ্বৰে যিহৰ বাবে মোক সৃষ্টি কৰিলে তাৰ বাবে মোৰ পৰাও পাবলৈ আশা কৰে। এইয়ে হৈছে সিদ্ধতা।

ঈশ্বৰে আমাক স্বৰ্গদূতৰ দৰে হোৱাটো নিবিচাৰে কিয়নো তেওঁ আমাক স্বৰ্গদূতৰ দৰে সৃষ্টি কৰা নাই। তেওঁ এজন মানুহৰ দৰে হোৱাটো বিচাৰে। তেওঁ এগৰাকী মহিলাক মহিলাৰ দৰে হোৱাটো বিচাৰে আৰু তেওঁ এটি শিশুক শিশুৰ দৰে হোৱাটো বিচাৰে। যদি এটি শিশুৱে শিশুৰ প্ৰকৃতিক হেৰুৱাই দিয়ে, তেওঁক আৰু শিশু বুলি ক'ব নোৱাৰি। ঈশ্বৰে তেওঁৰ সকলো সৃষ্টিক তেওঁৰ সিদ্ধ ইচ্ছাক লাভ কৰাটো বিচাৰে।

সিদ্ধতাৰ প্ৰতি প্ৰবল ইচ্ছা থকা মানৱ জাতিৰ বাবে প্ৰচলিত বিষয়। কিছুমান দিশত এজন ব্যক্তিক সিদ্ধতাৰ প্ৰতি ইচ্ছা নথকা মন আপুনি বিচাৰি নাপাব। কেৱল এজন খ্ৰীষ্টিয়ানেহে সিদ্ধতা গ্ৰহণ কৰিব নোৱাৰা বুলি গণ্য কৰে। আপুনি এনে এজন ল'ৰা বা ছোৱালীক দেখিছেনে যিজনে ভৱিষ্যতত কি হ'ব বিচাৰে বা কি কৰিব তাৰ সপোন নেদেখে? বোধকৰো আপুনি তেওঁলোকক অবজ্ঞা কৰিছে বা বাধা দিছে। হ'ব পাৰে সেইটো এটা তেওঁলোকৰ হৃদয়ৰ পৰা ওলোৱা স্বৰ্গীয় ইচ্ছা আছিল। লক্ষ্যত উপনীত হ'বলৈ প্ৰবল ইচ্ছা আছিল আৰু লক্ষ্যত আঘাত কৰিবলৈ প্ৰবল ইচ্ছা আছিল। সিদ্ধতাৰ প্ৰতি প্ৰবল ইচ্ছা থকাটো সম্ভাৱনাৰ এক ইঙ্গিত হয়। এজন মানুহে ঈশ্বৰৰ অৰ্থনীতিত তেওঁৰ ইচ্ছা কৰাতকৈ কম হ'লে তেওঁ কেতিয়াও সন্তোষ্ট হোৱা উচিত নহয়। ঈশ্বৰে প্ৰত্যেকক এনেধৰণৰ মানুহ হোৱাটো বিচাৰে। তেওঁৰ আৱশ্যক আছে আৰু তেওঁ মানুহজনৰ পাছে পাছে লাগি থাকে যাতে সেই মানুহজনে তেওঁৰ সৈতে চলি যাব, ন্যায় কৰিব আৰু দয়াক ভাল পাব; সেই মানুহবিলাকে নিজ নিজ ঐক্যতাত থাকি চলি যাব। ইয়াকে মই আদৰ্শ প্ৰয়োজনীয়তা বুলি বুজি পাওঁ।

ঈশ্বৰৰ আদৰ্শ প্ৰয়োজনীয়তাক আমাৰ বোধগম্যই আমাৰ পাপৰ দণ্ডাজ্ঞালৈ চলাই নিয়ে। কিয়নো আমি ঈশ্বৰৰ স্বৰ্গীয় সিদ্ধ মৰ্যদাৰ পৰা বঞ্চিত হওঁ। যিকোনো ব্যক্তিয়ে তেওঁৰ আদৰ্শৰ স্থানক উপলব্ধি কৰে তেৱেঁই বুজি পাব যে কোনটো প্ৰান্তত তেওঁ লক্ষ্যক আঘাত কৰিবলৈ ব্যৰ্থ হ'ল। পীলাতে যেতিয়া যিহুদীবিলাকৰ পুৰোহিতৰ চকুলৈ চাই ক'লে, "যি লিখিলো, লিখিলোৱেঁই" তেওঁৰ মন্তব্যৰ পৰা অহংকাৰৰ ভাৱ উৎপন্ন হোৱা যেন লাগে। কিন্তু অন্যহাতেদি চাবলৈ গ'লে সেই বাক্যবোৰত তেওঁ অনুভৱ কৰাতকৈও গভীৰ অৰ্থ সোমাই আছিল। সাধাৰণতে ইয়াৰ অৰ্থই ইয়াকে বুজায় যে মই যি কৰিলো, তাক যিকোনো মূল্যত গুচাব নোৱাৰি। অতীতৰ ব্যৰ্থতাবোৰক অসম্পন্ন কৰিব নোৱাৰি।

জগতৰ মানদণ্ডৰ মতে কিছুমানক নিৰ্দোষী যেন লাগিব পাৰে। কিন্তু যেতিয়া এজন ব্যক্তিয়ে তেওঁৰ মৰ্যদাক ঈশ্বৰে সৃষ্টি কৰা পৰিপূৰ্ণতাক মৰ্যদাৰ লগত নিজকে তুলনা কৰি চাই তেতিয়া তেওঁ তেওঁৰ জীৱনত থকা বিভিন্ন অপৰিপূৰ্ণতাবোৰক বুজি পাব। যেতিয়ালৈকে এজন ব্যক্তিয়ে ঈশ্বৰে তেওঁৰ জীৱনত স্থাপন কৰা সিদ্ধতাৰ মৰ্যদাক অনুভৱ নকৰে, "মই পাপ কৰিলো বা মই ব্যৰ্থ হ'লো" বুলি স্বীকাৰ কৰিব নোৱাৰে।

## ঈশ্বৰৰ প্ৰকৃত আৱশ্যকতা

মই এজন পাপী হিচাবে ঈশ্বৰে মোৰ পৰা কি বিচাৰে? ঈশ্বৰে তেওঁৰ মূল্যবান বলিদানৰ যোগেদি মোলৈ ক্ষমা দান কৰিলে আৰু তেওঁৰ পুনৰুত্থানৰ জয়যুক্তৰ যোগেদি শক্তি যোগালে। ইয়াৰ বিনিময়ত, ঈশ্বৰে আমাৰ পৰা কি বিচাৰে? খ্ৰীষ্টই তেওঁৰ সময়ৰ বিদ্ৰূপ মনৰ লোকবিলাকলৈ দিয়া উত্তৰত ক'লে, "ঈশ্বৰে যিজনক পঠালে, তেওঁক বিশ্বাস কৰাই ঈশ্বৰৰ মনোনীত কৰ্ম" (যোহন ৬ ঃ ২৯)। কিছুমানে কয় যে তেওঁলোকে কৰ্মৰ দ্বাৰাই উদ্ধাৰ পাইছে। আন কিছুমানে কয় যে একোৱেই কৰিব নালাগে কেৱল বিশ্বাস কৰিলেহে হ'ব। খ্ৰীষ্টই কয় যে "ঈশ্বৰে যিজনক পঠালে, তেওঁক বিশ্বাস কৰাই ঈশ্বৰৰ মনোনীত কৰ্ম।" কোনে সঁচা কৈছে, তেওঁবিলাকে নে খ্ৰীষ্টই? খ্ৰীষ্টই সঁচাকৈ কৈছে। যীচু এই বাক্য কোৱাৰ দ্বাৰাই ইয়াকে বুজায় যে তেওঁ কেৱল এজন ৰজাই নহয় কিন্তু এজন ত্ৰাণকৰ্তাও হয়। তেওঁবিলাকৰ ব্যৰ্থতাৰ বিষয়ে জানি আৰু তেওঁবিলাকৰ পাপৰ বিষয়ে জানি যীচুৱে ক'লে, যদি তেওঁবিলাকে তেওঁ বিশ্বাস কৰে তেন্তে তেওঁবিলাকে ঈশ্বৰৰ কৰ্ম কৰিলেহেতেন, পৰিস্কাৰ, নতুন জন্ম আৰু ঈশ্বৰে বিচৰা কাৰ্য কৰিবলৈ তেওঁবিলাকলৈ ঈশ্বৰে যোগালে। গতিকে, মানুহৰ প্ৰথম দায়িত্ব হৈছে যে তেওঁবিলাকে ঈশ্বৰত বিশ্বাস কৰিব লাগে।

তেওঁক বিশ্বাস কৰা মানেই তেওঁৰ বাক্যলৈ কাণ দিব লাগে আৰু ইয়াতেই সত্য আছে বুলি জানিব লাগে আৰু পালন কৰিব লাগে। যিবিলাকে পাপ কৰিলে আৰু ব্যৰ্থ হ'ল তেওঁবিলাকৰ পৰা ঈশ্বৰে ইয়াকেই বিচাৰে। ঈশ্বৰে বিচাৰে তেওঁ পঠোৱাজনক আমি বিশ্বাস কৰিব লাগে আৰু আমি নিজেই খ্ৰীষ্টত লাগি থাকিব লাগে।

এই বাক্যবোৰৰ পৰা আমি জানিব লাগে যে খ্ৰীষ্ট যীচুত যোগাই দিয়া পুনৰ নিৰ্মাণৰ আমাৰ প্ৰয়োজন আছে। ঈশ্বৰে আমালৈ যি যোগাইছে তাকেই আমি লোৱাটোকেই ঈশ্বৰে বিচাৰে। "তেওঁ নিজৰ আধিপত্যলৈ আহিল কিন্তু তেওঁৰ নিজৰ লোকে তেওঁক গ্ৰহণ নকৰিলে। তথাপি যিমান মানুহে তেওঁক গ্ৰহণ কৰিলে অৰ্থাৎ তেওঁৰ নামত

বিশ্বাস কৰিলে, সেই সকলোকে ঈশ্বৰৰ সন্তান হ'বলৈ তেওঁ ক্ষমতা দিলে। তেওঁবিলাকে তেজৰ পৰা বা মাংসৰ ইচ্ছাৰ পৰা বা মানুহৰ ইচ্ছাৰ পৰা জন্ম পালে, এনে নহয়, কিন্তু ঈশ্বৰৰ পৰাহে পালে" (যোহন ১ ঃ ১১ - ১৩)।

এই শাস্ত্ৰাংশত যোহনে দুটা শব্দ গ্ৰহণ আৰু বিশ্বাসক ব্যৱহাৰ কৰিছে আৰু দেখুৱাই যে এই দুয়োটা শব্দই সমাৰ্থক। যিবিলাকে তেওঁক গ্ৰহণ কৰিলে তেওঁবিলাকে তেওঁৰ নামত বিশ্বাস কৰিলে। যীচুক বিশ্বাস কৰা মানে তেওঁক গ্ৰহণ কৰা।

মোৰ পাপৰ বাবে তেওঁ মোলৈ খ্ৰীষ্টত ক্ষমা যোগায় আৰু পাপ নকৰিবলৈ শক্তি দি পঠাই। এতিয়া তেওঁ মোৰ পৰা কি বিচাৰে? তেওঁ মোলৈ যি যোগাইছে তাক গ্ৰহণ কৰাটো তেওঁ বিচাৰে আৰু তেওঁ যাক পঠাইছে তেওঁক ৰজা হিচাবে মুকুট পিন্ধোৱা, যাক মই ত্ৰাণকৰ্তা বুলি ভাৰষা কৰো আৰু তেওঁ মোৰ বাবে স্থাপন কৰা অনন্ত জীৱন গ্ৰহণ কৰাটো বিচাৰো। এইয়ে হৈছে পাপময় আত্মাৰ প্ৰথম আৱশ্যকতা। ঈশ্বৰেই সৰ্বযথেষ্ট ত্ৰাণকৰ্তা, আদৰ্শক প্ৰকাশ কৰি পৰাক্ৰম যোগাই আৰু তেওঁ পঠোৱা পুত্ৰৰ নামত প্ৰত্যেক ঠাইৰ মানুহবিলাকে পাপ স্বীকাৰ কৰি তেওঁক বিশ্বাস কৰিবলৈ দান কৰিছে।

প্ৰকৃত আৱশ্যকতাটো একোৱেই নহয় কিন্তু ই এক আদৰ্শৰ আৱশ্যকতাৰ অনুভৱকৰণ। ঈশ্বৰে মোৰ বা আপোনাৰ বাবে তেওঁৰ আদৰ্শৰ আৱশ্যকতাক কেতিয়াও ত্যাগ কৰা নাই। আমাৰ জীৱনত সিদ্ধতাত হ্ৰাস তেওঁ কেতিয়াও আমাক গ্ৰহণ নকৰিব। স্বৰ্গলৈ ঈশ্বৰৰ সিদ্ধ মৰ্যদাৰ পৰা বঞ্চিত হ'বলৈ ঈশ্বৰে দুখভোগ কৰা নাছিল। ই এক স্বৰ্গীয় ঈশ্বৰৰ পৰিকল্পনা যে এজন মানুহে যীচু খ্ৰীষ্টত বিশ্বাস কৰাৰ দ্বাৰাই সিদ্ধতাক লাভ কৰিব লাগে।

যিহূদা ১ ঃ ২৪, "এতিয়া যি জনাই তোমালোকক নপৰাকৈ ৰক্ষা কৰিবলৈ, আৰু তেওঁৰ প্ৰতাপৰ সাক্ষাতে নিষ্কলস্কৰূপে অতি আনন্দেৰে সৈতে উপস্থিত কৰিবলৈ সমৰ্থ", ইয়াকে কয় যে সিদ্ধতাত হ্ৰাস হ'লে যিকোনো বস্তুক ঈশ্বৰে গ্ৰহণ নকৰে। আমি যেতিয়া নিজকে আমাৰ ত্ৰাণকৰ্তালৈ সমপৰ্ণ কৰো তেওঁ আমাৰ সকলো ঋণাত্মকবোৰক, ত্ৰুটিবোৰক আৰু যিবোৰ দিশত আমি ব্যৰ্থ হৈছিলো সেই সকলোবোৰক ঠিক কৰে আৰু ইয়াৰ দ্বাৰাই আমি সিদ্ধতা লাভ কৰিব পাৰো।

যি কি নহওক, খ্ৰীষ্টলৈ প্ৰথমবাৰ অৰ্পণ কৰাৰ সময়ত লগে লগে সিদ্ধ আদৰ্শক বুজিব নোৱাৰি। তৰ্চীচৰ চৌলক দম্মেচকৰ পথত প্ৰেম আৰু জীৱনৰ প্ৰভুৰ দ্বাৰাই আঘাত কৰা হৈছিল। পৌলে ৩০ বছৰ ধৰি ঐশ্বৰিক জীৱন-যাপন কৰিছিল আৰু মহান বস্তুবোৰক লাভ কৰিছিল। এতিয়া তেওঁ ফিলিপীয়াৰ লোকবিলাকলৈ এইদৰে লিখিছে, "মই যে এতিয়াই পালো বা এতিয়াই সিদ্ধ হ'লো, এনে নহয়, কিন্তু যিহৰ নিমিত্তে খ্ৰীষ্ট যীচুৰ দ্বাৰাই ধৰা হ'ল, কোনোমতে মই তাকে ধৰিবৰ কাৰণে খেদি গৈছো" (ফিলিপীয়া ৩ ঃ ১২) জুইৰ, নগ্নতা, বিপদ আৰু তৰোৱালৰ ৩০ বছৰে খ্ৰীষ্টিয়ান অভিজ্ঞতা পোৱাৰ পাছতো তেওঁৰ সিদ্ধতাক লাভ কৰিব নোৱাৰিছিল বা তেওঁক সিদ্ধ কৰা হোৱা নাছিল।

মোৰ প্ৰিয় ভাইসকল, মই আপোনালোকক সোঁৱৰাই দিব বিচাৰো যে এই সিদ্ধ আদৰ্শক লগে লগে বুজিব নোৱাৰি। কিন্তু লগে লগে বুজি পাবলৈ সিদ্ধ প্ৰবাহৰ প্ৰয়োজন আছে। যদিও পৌলে মই লাভ কৰা নাই বুলি কৈছিল, কিন্তু একেটা পত্ৰতে তেওঁ কৈছে, "হে ভাইবিলাক, মই যে ধৰিলো, নিজৰ বিষয়ে এনে ভাব এতিয়ালৈকে কৰা নাই, কিন্তু এটা কথা, পাছত থকা সকলোকে পাহৰি আগত থকাবোৰলৈ যত্ন কৰি, খ্ৰীষ্ট যীচুত ঈশ্বৰে কৰা স্বৰ্গীয় আমন্ত্ৰণৰ বঁটাৰ অৰ্থে ঘাই লৈ লৰি গৈ আছো" (ফিলিপীয়া ৩ ঃ ১৩-১৪)। এই পদটিৰ দ্বাৰাই তেওঁ ইয়াকে ক'ব বিচাৰে যে মণ্ডলীক তেওঁ তাড়না কৰাৰ সময়ত তেওঁ যি সকলো উৎসাহ আৰু প্ৰবল ইচ্ছা আৰু আন্তৰিকতাক লগাই দিছিল কিন্তু এতিয়া তেওঁ সেই সকলো তেওঁৰ লক্ষ্যত উপনীত হ'বলৈ লগাই দিছে। আৰু ঈশ্বৰে তেওঁক যিদৰে হোৱাটো বিচাৰে তেনেদৰে তেওঁ হ'বলৈ যুগুত আছে।

বোধকৰো এই বাৰ্তা পঢ়ি থকা আপোনালোকৰ কিছুমানে এই পৃথিৱীত মোতকৈয়ো অধিক বছৰ ধৰি খ্ৰীষ্টিয়ান হৈ আছে। সম্ভৱত আপোনালোকৰ কিছুমানে মোতকৈ অধিক ঈশ্বৰৰ প্ৰতি বিশ্বাসী হৈ আছে। আপোনালোকে মোক নিশ্চয়ে ক'ব পাৰে যে, আপুনি এতিয়াও ইয়াক লাভ কৰা নাই। ময়ো এই বাৰ্তাক অলপতে খ্ৰীষ্টিয়ান জীৱন আৰম্ভ কৰা পুৰুষ আৰু মহিলাসকললৈ লিখি আছো। অনুগ্ৰহ কৰি মনত ৰাখিব যে আপোনাত এই সকলোবিলাক আছে আৰু শেষ সিদ্ধতাৰ বাবে এইবোৰ প্ৰয়োজন হয়, কিয়নো আপুনি খ্ৰীষ্টক গ্ৰহণ কৰি, তেওঁৰ সকলো সিদ্ধতা আৰু তেওঁৰ সকলো শক্তিক আপুনি লৈছে আৰু শেষত যেতিয়া তেওঁৰ কাৰ্য সিদ্ধ হ'ব, আপোনাক ঈশ্বৰৰ সিংহাসনৰ আগত এজন নিখোঁত ব্যক্তিৰ দৰে থিয় কৰোৱা হ'ব আৰু আপুনি তেওঁৰ দৰে হ'ব। এই সকলো প্ৰবাহৰ অবিহনে সিদ্ধতা হোৱাটো অসম্ভৱ হ'ব। এইবিলাকৰ সৈতে সিদ্ধতাৰ নিশ্চিত হ'ব।

সিদ্ধতাৰ উপলব্ধিৰ বাবে বিশ্বাসে হৈছে প্ৰাথমিক আৰু চিৰস্থায়ী ব্যৱস্থা। ক'বলৈ গ'লে খ্ৰীষ্টত বিশ্বাস কৰাটো এটা কাৰ্য নহয়, বৰং এইটো এচা মনোভাৱ হয়। মই ৪০ বছৰৰ আগতে খ্ৰীষ্টক গ্ৰহণ কৰিলো বুলি ক'লে নহ'ব। আচল কথাটো হৈছে, আপুনি এতিয়া তেওঁক কৰি আছেনে? মই আপোনাৰ অতীতৰ অভিজ্ঞতাক তুচ্ছ বুলি গণ্য কৰা নাই। বিশ্বাস এটা মনোভাৱ হয় আৰু যদিও আনকি আত্মবিশ্বাস, যেতিয়া আমি আমাক বিশ্বাসক বন্ধ কৰিবলৈ চেষ্টা কৰো, আমাৰ ব্যৰ্থ পাপৰ বাবে কেতিয়াও আন্ধাৰ নহ'ব।

এই টোকেই ঈশ্বৰে বিচাৰে। প্ৰকৃত আৱশ্যকতাই আদৰ্শ আৱশ্যকতাক অন্তৰ্ভুক্ত কৰে। যেতিয়া মই ঈশ্বৰক বিশ্বাস কৰো, মই নিজকে প্ৰেম কৰাৰ দৰে আনকো প্ৰেম কৰিম। আমি যেতিয়ালৈকে আমাৰ প্ৰেমক মানুহলৈ প্ৰকাশ কৰিম। আমি যেতিয়ালৈকে আমাৰ প্ৰেমক মানুহলৈ প্ৰকাশ কৰিব নোৱাৰো, ঈশ্বৰলৈ আমি আমাৰ প্ৰেম গীত গাবলৈ আমাৰ অধিকাৰ নাই। যদি মই মোৰ ভায়েকৰ অভাৱ দেখি, তেওঁৰ বিৰুদ্ধে দয়াৰ পাত্ৰক বন্ধ কৰো, তেন্তে তেওঁৰ বিৰুদ্ধে দয়াৰ পাত্ৰক বন্ধ কৰো, তেন্তে কি দৰে ঈশ্বৰৰ প্ৰেম মোত নিবাস কৰিব? "তোমাৰ প্ৰভু পৰমেশ্বৰক প্ৰেম কৰা... তোমাৰ ওচৰুচুবুৰীয়াক তোমাৰ নিচিনাকৈ প্ৰেম কৰা"। এইটোৱেই এটা মানদণ্ড যাক ঈশ্বৰে আমাৰ পৰা বিচাৰে। খ্ৰীষ্টত থকা আমাৰ বিশ্বাসে আমাৰ প্ৰেমক প্ৰকাশ কৰিব।

আহক আমি তেওঁত বিশ্বাস কৰোঁহক, মুক্তিৰ বাবে তেওঁত ভাৰসা কৰোঁহক, শক্তিৰ বাবে তেওঁত ভাৰসা কৰোহঁক, আৰু সম্পূৰ্ণ বিসৰ্জনত তেওঁৰ মুখলৈ চাওঁ যাতে ঈশ্বৰৰ খ্ৰীষ্টই আমাক সিদ্ধ কৰিব। আমি যদি তেওঁত বিশ্বাস কৰো। আমি ঈশ্বৰৰ প্ৰথম আৱশ্যকতা পৰিপূৰ্ণ কৰো। তেওঁৰ শেষ আৱশ্যকতাক পৰিপূৰ্ণ কৰিবলৈ ঈশ্বৰে আমাক সমৰ্থ কৰক। আমেন

****



# PIT TO PALACE
# গৰাহৰ পৰা ৰাজগৃহলৈ

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫

## "কিন্তু মই হ'লে দুখী আৰু দৰিদ্ৰ, তথাপি প্ৰভুৱে মোলৈ চিন্তা কৰে" (গীতমালা ৪০ ঃ ১৭)

প্ৰায় চল্লিশ বছৰৰ আগেয়ে চেন্নাইত এক ডাঙৰ জাগৰণ হৈছিল। দক্ষিণ আফ্ৰিকাৰ পৰা মহান শিক্ষকসকল আহিছিল। ঈশ্বৰে তেওঁলোকৰ দ্বাৰা আচৰিত কাৰ্যবিলাক কৰিছিল। এক বৃহৎ সংখ্যাৰ লোকসকলে আচৰিত কৰ্মৰ সাক্ষ্য দিছিল আৰু তেওঁলোকে জীৱনত প্ৰথম বাৰৰ বাবে যীচু খ্ৰীষ্টৰ শুভবাৰ্তা শুনিছিল। মই এজন স্বেচ্ছাসেৱীভাৱে তেওঁলোকক সহায় কৰিছিলো।

সভা শেষ হোৱাৰ পাছত, সভাৰ আয়োজন কৰাত সহায় কৰা কৰ্মী আৰু আলহী শিক্ষকসকলে এক সহভাগিতাৰ আয়োজন কৰিছিল। অৰ্থাৎ দক্ষিণ আফ্ৰিকাৰ পৰা অহা বিশিষ্ট আলহীজনে মোক তেওঁৰ ওচৰত মাতিলে আৰু মোৰ বিষয়ে সুধিলে আৰু সভাত মই বেনাৰ লগোৱাৰ বাবে, নতুন বন্ধুসকলক আলপৈচান লোৱাৰ বাবে আৰু জাগৰণ সভাৰ সময়ত অংশ গ্ৰহণ কৰা লোকসকলক সহায় কৰাৰ বাবে মোক তেওঁ প্ৰশংসা কৰিছিল।

তেওঁ পুনৰ মই অহা ঠাইৰ নাম সুধিছিল আৰু মোক অনুৰোধ কৰি ক'লে যে দ্বিতীয় দিনা ভাৰতৰ পৰা তেওঁৰ প্ৰস্থানৰ সময়ত পুৱা ৪.০০ বজাত তেওঁক বিমান বন্দৰত আহি লগ কৰিব কৈছিল। মই তেওঁক ক'লো যে এই সময়টো মোৰ বাবে অতিকৈ অসুবিধা হ'ব, কিয়নো তেতিয়া মোৰ বহুত পুৰণি চাইকেল এখন আছিল, তথাপি তাৰ অৱস্থা বৰ ভাল নাছিল। তাৰোপৰি মোৰ ঘৰৰ পৰা বিমান বন্দৰলৈ ২৫ কি.মি.তকৈ অধিক দূৰত আছিল।

তৎক্ষণাৎ তেওঁ চাৰিওফালে ঘূৰি চালে আৰু চহৰৰ পৰা অহা এজন মহান প্ৰচাৰক দেখা পালে, তেওঁ তেওঁক নাম কাঢ়ি মাতি ক'লে, "এওঁ হৈছে ভাই চাম ছেলভা ৰাজ। মই তেওঁক দেখিছো, সভাত তেওঁ স্বেচ্ছাকৃতভাৱে ভাল কাম কৰিছে আৰু মই তেওঁত কিছুমান বিশেষত্ব দেখিছো। মই ভাৰত ত্যাগ কৰাৰ আগতে, বিমান বন্দৰত কিছু সময় তেওঁৰ সৈতে কটাব বিচাৰো। তেওঁ বৰ দুখীয়া ল'ৰা আৰু অহাকালি পুৱাবেলাত তেওঁ ঘৰৰ পৰা আহি মোক বিমানবন্দৰত মোক লগ ধৰিবৰ বাবে তেওঁৰ লগত উপযুক্ত সুবিধা নাই। মই সুখী হ'লোহেতেন যেতিয়া আপুনি মোক বিদায় দিবলৈ বিমান বন্দৰলৈ আহিব তেতিয়া তেওঁকো আপোনাৰ গাড়ীত লগত লৈ আনিলেহেতেন। কিন্তু এই প্ৰচাৰকজনে মোৰ ফালে চাই খং কৰি সেই আলহীজনক ক'লে, "মোৰ গাড়ীত এই মানুহজনক কঢ়িয়াবলৈ ঠাই নাই। বিমান বন্দৰলৈ তেওঁ আহিব নালাগে বুলি কৈ দিয়ক।" সেই আলহী শিক্ষকজনে তেওঁক সুধিলে, "বিমান বন্দৰলৈ আহিবৰ বাবে আপোনাৰ লগত আৰু কোনোবা আছেনে?" তেওঁ উত্তৰ দিলে, মোৰ লগত আৰু কোনো নাহিব, কিন্তু মই সেই দুখীয়া মানুহজনক মই সহায় নকৰো।

সেই ঈশ্বৰৰ দাস, যিজন আমাৰ বিশিষ্ট আলহী আছিল, তেওঁ আমাৰ কথাবোৰ শুনি স্তম্ভিত হ'ল। তেওঁ মোক তেওঁৰ ওচৰলৈ মাতিলে, তেওঁৰ হাত মোৰ মূৰৰ ওপৰত ৰাখি চকুলোৰে ঈশ্বৰলৈ প্ৰাৰ্থনা কৰি এইবুলি ক'লে, মোৰ বাবে বস্তুৰ আশীৰ্বাদো প্ৰয়োজন আছে। তেওঁ মোক আৰু ক'লে, "মোৰ ভাই ছাম, মই যিজন মহান ঈশ্বৰৰ সেৱা কৰো, তুমিও সেই জনাৰ নম্ৰ দাস হোৱা। সেই গতিকে তোমাৰ আৰু তোমাৰ পৰিচৰ্যাৰ বাবে মই দাবী দি কৈছো, যিজন ঈশ্বৰৰ মই সেৱা কৰো সেই জনাই তোমাক অনেক গাড়ী, বাছ আৰু ভাৰতত তোমাৰ পৰিচৰ্যাৰ বাবে আন আন প্ৰয়োজনীয় বস্তুবোৰ যোগাব। যিজন ভায়ে অহাকালি পুৱা বেলাত মোক বিদায় দিবলৈ যাওতে তোমাক লগত নিবলৈ অস্বীকাৰ কৰিলে তেওঁক ঘৃণা নকৰিবা।"

সেই অভিজ্ঞতাৰ বাবে মোৰ মনত কোনো খেদ হোৱা নাছিল। বৰং মই ঈশ্বৰৰ সেই দাসজনৰ বাক্যৰ বাবে মই ঈশ্বৰক ধন্যবাদ জনালো। দিনবোৰ অতিবাহিত হৈ গ'ল, কিন্তু ঈশ্বৰে বিশ্বাসীভাৱে মোক তেওঁৰ মনত ৰাখি আছিল। পাছত ঈশ্বৰে মোক বহুত বাহন যোগালে আৰু তেওঁৰ পৰিচৰ্যাৰ বাবে আৱশ্যকীয় বস্তু যোগাই ৰাখিলে। আমি আমাৰ নিজৰ বাহনেৰে সেই একেখন বিমান বন্দৰলৈ মই আৰু মোৰ সহকৰ্মীসকলে বহুবাৰ যাত্ৰা কৰিছো। আমাৰ ঈশ্বৰ কি যে আচৰিত ঈশ্বৰ সেই একেজনা ঈশ্বৰেই এতিয়াও জীৱিত আছে তেওঁ যোৱাকালি, আজি আৰু সদাকাললৈকে একেই হৈ আছে।

মোৰ প্ৰিয় পঢ়ুৱৈ, আপোনাৰ মূৰৰ ওপৰত থকা ঈশ্বৰৰ অভিষেকক আনে স্বীকৃতি নিদিয়াৰ বাবে আপুনি দুখিতনে? আপুনি আপোনাৰ নিম্ন অৱস্থাক দেখি নিৰাশ হৈছেনে? আপোনাৰ নিজৰ মানুহে আপোনাক তুচ্ছা জ্ঞান কৰেনে? ঈশ্বৰে কৈছে, **"তোমালোকৰ হৃদয় ব্যাকুল নহওক.. মই তোমালোকক অনাথকৈ এৰি নাযাও ঃ মই তোমালোকৰ ওচৰলৈ আহিম"** (যোহন ১৪ ঃ ১-১৮), তেওঁৰ ইচ্ছাত কেন্দ্ৰত বাস কৰক। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

****

## বিচৰা হৈছে

* গুৰুত্বপূৰ্ণ ইংৰাজী যোগাযোগ আৰু প্ৰশাসন কাৰ্যৰ বাবে মুখ্য কাৰ্যবাহীলৈ সম্পাদকসকলৰ প্ৰয়োজন আছে। (শিক্ষাগত অৰ্হতাঃ স্নাতক হোৱাৰ লগতে ইংৰাজী আৰু আন আন ভাষাত) যোগাযোগ ৰাখিবৰ বাবে স্বাধীন দক্ষতা থাকিব লাগিব।
* ইংৰাজী আৰু আন আন ভাষাত ডি. টি. পি. চলোৱাৰ কম্পিউটাৰৰ দক্ষতা থাকিব লাগিব।
* বাদ্য-যন্ত্ৰৰ জ্ঞান থকাৰ লগতে আন যিকোনো দিশত কাৰিকৰী কাৰ্যৰ দক্ষতা থাকিব লাগিব।

*- সম্পাদক*

RNI NO. TNASS/2000/2335, Postal Regn. No. TN/CH(C)/204/21-23 WPP NO. TN/PMG(CCR)/WPP-262/21-23

# ECHO OF HIS CALL

**Monthly magazines in 16 languages, Bible Colleges, Postal Courses, Church Planting, Village English High School, Gospel Printing Press, Crusades, Seminars, Social Services, etc.**

**Annual Subscription : Rs. 100/- Life Subscription : Rs. 2000/-**

The multifarious activities of **Echo of His Call Ministry** is supported by the free-will offerings and donations of the God's Children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us. Whenever you change your postal or e-mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our websites also. You can read it by going into the site as well as downloading it and get blessed.

Your letters, prayer requests and your financial helps (by D.D., Cheque, M.O. etc.) to **ECHO OF HIS CALL** may be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, Mohammed Abdullah 2nd Street, Chepauk,
Chennai - 600 005, India
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766,
**CELL : (+91) 95661 31858 / 98410 71852**
E-mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.echoofhiscall.com

**YOU CAN SEND YOUR DONATIONS ON ONLINE ALSO**

## PLEASE PRAY FOR OUR MINISTRIES AT THE HEADQUARTERS

1. Prayer Service : 24 hours
2. **BIBLECOR -** Bible Correspondence Courses : English, Tamil & Hindi
3. **ECHO OF HIS CALL** - Monthly Magazines : English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikaans.
4. Nehemiah Bible Colleges (Two Centres)
5. Theological Correspondence Courses: English & Tamil
6. Great Commission Partners (Network of Pastors)
7. Training Programmes
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul's Matriculation School - Village English High School
12. Sunday Schools : 8.30 a.m. & 4.00 p.m. Sunday
13. **Tamil Services : 5.30 a.m. , 7.00 a.m. & 10.00 a.m. Sunday**
14. **Malayalam Service : 2.00 p.m. Sunday**
15. **Telugu Service : 4.00 p.m. Sunday**
16. **Hindi Service : 5.00 p.m. Sunday**
17. **English & Tamil Service : 6.00 p.m. Sunday**
18. Pastors' Counselling : 4.00 p.m. Sunday
19. Women's Prayer : 5.30 p.m. Wednesday
20. Mid-week Bible study : 6.30 p.m. Wednesday
21. Men's Prayer : 7.00 p.m. Friday
22. Workers' Meeting : 6.00 p.m. Saturday
23. House Meetings : 6.30 p.m. Monday & Tuesday
24. Special Holy Communion : 5.30 a.m. 1st day of each month
25. Ministers Review Meeting : 5.30 p.m. First Saturday
26. Parents' Prayer : 4.00 p.m. First Sunday
27. Night Prayer : 9.30 p.m. Second Friday
28. Fasting Prayer : 9:30 a.m. Third Saturday
29. Holy Communion : Second Sunday Services
30. Morning Devotion : 5.30 a.m. daily
31. Staff Devotion : 9.00 a.m. daily
32. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

**The details of our Bank Accounts are given below. Please inform us the details of your remittances.**

| Bank | Branch | Name | IFSC Code No. | Account Number |
|---|---|---|---|---|
| 1. STATE BANK OF INDIA | Triplicane, Chennai -5 | S. Sam Selva Raj | SBIN 0000249 | 102329 34679 |
| 2. ICICI BANK | Anna Salai, Chennai -2 | Echo of His Call | ICIC 0006038 | 6038 05022319 |

**RNI NO. TNASS/2000/2335**
**Postal Regn. No. TN/CH/(C)/204/21-23**
**WPP NO. TN/PMG(CCR) / WPP- 262/21-23**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS / 1 Patrika Channel"**
**on 12th JANUARY 2021**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957,**
**Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

***JESUS LOVES YOU!***

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from No.10, Mohammed Abdullah Street, Chepauk, Chennai-600 005 and printed by him at **Echo of His Call Printers** No. 10, Mohammed Abdullah Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**